জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৯৬/২০২২**

<u>লাহোৱাল সমষ্টিৰ অন্তৰ্গত চাহ বাগিচাসমূহৰ বাবে ২৬ খন এম্বুলেঞ্চ বিতৰণ কৰিলে মুখ্যমন্ত্ৰীয়ে</u>

# চাহ বাগিচা এলেকাৰ চিকিৎসালয়সমূহৰ আধুনিকীকৰণৰ বাবে ৰাজ্য চৰকাৰে পদক্ষেপ ল'ব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৩ এপ্ৰিল ঃ** ৰাজ্যৰ চাহ বাগিচা এলেকাত বসবাস কৰা লোকসকলক এক উন্নত, দায়বদ্ধ আৰু সহজলভ্য স্বাস্থ্য সেৱা প্ৰদানৰ লক্ষ্যৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ডিব্ৰুগড় জিলাৰ লাহোৱালৰ অন্তৰ্গত মটক চাহ বাগিচাত আয়োজিত এক অনুষ্ঠানত লাহোৱাল বিধানসভা সমষ্টিৰ ২৬ খন চাহ বাগিচাৰ প্ৰতিখনলৈ একোখনকৈ এম্বুলেঞ্চ বিতৰণ কৰে।

উল্লেখ্য যে ২০১৯-২০ আৰু ২০২০-২১ বিত্তীয় বৰ্ষৰ বাবে বিধায়কৰ 'স্থানীয় এলেকা উন্নয়ন পুঁজি'ৰ অধীনত এই এম্বুলেঞ্চসমূহ প্ৰদান কৰা হৈছে। ইয়াৰ জৰিয়তে চাহ বাগিচাত বসবাস কৰা লোকসকলে উন্নত চিকিৎসা সেৱা লাভ কৰাৰ বাবে যিকোনো জৰুৰীকালীন পৰিস্থিতিত সহজে যাব পাৰিব আৰু এই পদক্ষেপ ৰোগীসকলৰ বাবে সহায়ক হৈ উঠিব।

এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বৰ্তমানৰ ৰাজ্য চৰকাৰে ক্ষমতালৈ অহাৰ পিছত চাহ বাগিচা এলেকাৰ উন্নয়নৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি এই ক্ষেত্ৰত থকা দায়বদ্ধতা পালন কৰিছে। তেওঁ কয় যে চাহ বাগিচাৰ এলেকাত বসবাস কৰা লোকসকলে যাতে উন্নত স্বাস্থ্য সেৱা লাভ কৰিব পাৰে তাৰ বাবে ৰাজ্য চৰকাৰে চাহ বাগিচাৰ চিকিৎসালয়সমূহ আধুনিকীকৰণৰ বাবে পদক্ষেপ গ্ৰহণ কৰিব। মুখ্যমন্ত্ৰীয়ে লগতে জনায় যে চাহ বাগিচা এলেকাৰ লোকসকলে যাতে বিশুদ্ধ খোৱাপানী লাভ কৰিব পাৰে তাৰ বাবে ৰাজ্য চৰকাৰে চাহ বাগিচা এলেকাসমূহত পানী যোগান আঁচনি গঢ়ি তুলিব।

বৰ্তমানৰ ৰাজ্য চৰকাৰে জনসাধাৰণৰ উন্নয়নৰ বাবে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে চাহ বাগিচা এলেকাত বসবাস কৰা ছাত্ৰ-ছাত্ৰীসকলে যাতে জাতিগত প্ৰমাণপত্ৰ সহজে লাভ কৰিব পাৰে তাৰ বাবে ব্যৱস্থাটো অধিক সৰলীকৰণ কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে লগতে জনাই যে লাহোৱাল সমষ্টিৰ বাবে অৰুণোদয় আঁচনিৰ অধীনত আৰু ৬ হাজাৰ হিতাধিকাৰীক সামৰি লোৱা হ'ব। তেওঁ কয় যে ৰহমৰীয়াত বানপানী গৰাখহনীয়া সমস্যা সমাধানৰ বাবে যথোচিত পদক্ষেপ লোৱাৰ লগতে বুঢ়ীদিহিং বান ব্যৱস্থাপনা প্ৰকল্পটো অধিক সবল কৰি তোলা হ'ব।

মুখ্যমন্ত্ৰীয়ে লগতে ঘোষণা কৰে যে ৰাজ্য চৰকাৰে ৰাজ্যৰ সকলো চাহ বাগিচাত জগন্নাথ সামূহিক কেন্দ্ৰ স্থাপন কৰিব।

আজিৰ এই অনুষ্ঠানত পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, চাহ জনজাতি কল্যাণ বিভাগৰ মন্ত্ৰী সঞ্জয় কিষাণ, বিধায়কসকল ক্ৰমে বিনোদ হাজৰিকা, প্ৰশান্ত ফুকন, চক্ৰধৰ গগৈ, তৰংগ গগৈ, এটিডিচিৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা প্ৰমুখ্যে অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**সুঃদঃ / পুঃডেঃ**
**৩-০৪-২০২২**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in